MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
E-ISSN: XXXX
Web.: www.majuliemagazine.com, e-Mail: Majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

# ওৰণিৰ আঁৰত হেৰাই যোৱা ‘লাপাতা লেডিজ্

**Dr. Pradip Borah**

Assistant Professor, Department of Assamese, Golaghat Commarce College, Email:borahprodip601@gmail.com, Contact:9954538986

Majuli A MultiLingual MultiDisciplinary e-Magazine

**Abstract:**

The film *Lapata Ladies*, now available on Netflix, delivers a powerful message on women's empowerment without the use of direct slogans. Directed by Kiran Rao, the movie highlights various issues faced by women, representing the frustration against societal norms, patriarchy, and even Bollywood's portrayal of hyper-masculinity. In contrast to films like *Animal* (2023), *Lapata Ladies* offers a strong rebuttal, portraying the pivotal role of women in society. Through characters like ‘Manju Mai’ and ‘Jaya,’ the film emphasizes that women can thrive independently and even challenge entrenched gender roles. The storyline of ‘Lapata Ladies’ revolves around the mistaken identity of two brides, ‘Phul Kumari’ and ‘Jaya,’ which serves as a metaphor for the loss of individuality in patriarchal settings. Ultimately, the film encourages women to reclaim their voices, choices, and agency. With engaging dialogues, stellar performances, and a focus on women's silent struggles, *Lapata Ladies* resonates with a universal truth about the invisibility of women's contributions and the need for gender equality.

**Keywords**: women's empowerment, patriarchy, individuality, mistaken identity, gender equality

## 1. **Introduction**

– “পঢ় কোনোবাই ল’ৰা এটাই পঢ়া”

MAJULI: *A Multi-Lingual Multi-Disciplinary e-Magazine*
E-ISSN: XXXX
Web.: www.majuliemagazine.com, e-Mail: Majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

– “কি হ’ল? কোনেও নপঢ়? মুখেৰে একো নামাত যে?”

পাঠটোত থকা মহিলাৰ মাহেকীয়া সম্পৰ্কীয় অংশটো পঢ়িবলৈ কোনো এজন ছাত্ৰয়েই ইচ্ছা কৰা নাই। সকলোৰে মুখত এটা সংকোচৰ ভাব। ছোৱালীবোৰেও মুখ টিপি হাঁহিবলৈ লৈছে।

– “যিদিনালৈকে তহঁতে মহিলাৰ পিৰিয়ডছ সম্পৰ্কে মুকলিকৈ সকলোৰে আগত পাতিব নোৱাৰিবি, তেতিয়ালৈকে নাৰী সবলীকৰণ সম্পৰ্কে কথা পাতি লাভ নহ’ব। তহঁত ল’ৰা-ছোৱালী সকলোকে কৈছোঁ।”

উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ অসমীয়া পাঠ্যপুথিত এটা পাঠ আছে– ‘বৈজ্ঞানিক মানসিকতা কিদৰে গঢ়িব পাৰোঁ’। লেখক ড° দীনেশ চন্দ্ৰ গোস্বামীয়ে লেখাটোৰ মাজেৰে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বৈজ্ঞানিক মানসিকতা গঢ় দিয়াৰ এটা প্ৰয়াস কৰিছে। সেই পাঠটোতে অসমৰ মহিলাসকলে ‘মাহেকীয়া’ৰ সময়ত পালন কৰিব লগীয়া কিছুমান অহেতুক-অযুক্তিকৰ নিয়মৰ কথা কৈ ড° দীনেশ চন্দ্ৰ গোস্বামীয়ে ছাত্ৰ-ছাত্ৰীসকলক এইবোৰৰ আঁতৰি বৈজ্ঞানিকভাবে




কথাবোৰ ফঁহিয়াই চাবলৈ আহ্বান জনাইছে। এই পাঠটো পঢ়ালেই ছাত্ৰ-ছাত্ৰীসকলক আন আন কথাৰ মাজতে আমাৰ সমাজত মহিলাসকলে পালন কৰি থাকিব লগা হোৱা কিছুমান অপ্ৰয়োজনীয় নিয়মৰ কথা ক’বলৈ সুবিধা পাওঁ, পুৰুষতান্ত্ৰিক সমাজত মহিলাৰ অৱস্থানৰ কথা ক’বলৈ সুযোগ পাওঁ, মহিলাৰ বাবে নিৰ্ধাৰিত অযুক্তিকৰ নীতি-নিয়মবোৰ মহিলাসকলেই কঠোৰভাৱে পালন কৰাৰ কথা ক’বলৈ সুবিধা পাওঁ। কেৱল এইক্ষেত্ৰতে নহয়, আমাৰ সমাজত মহিলাসকল আন অজস্ৰ সমস্যাৰে জৰ্জৰিত, অৱদমিত।

এখন চলচ্চিত্ৰ, নাম ‘লাপাতা লেডিজ্’। বৰ্তমান নেটফ্লিকস নামৰ অ.টি.টি প্লেটফৰ্মটোত উপলব্ধ। চলচ্চিত্ৰখনত এটাও শ্লোগান নিদিয়াকৈয়ে নাৰী সবলীকৰণৰ এটা শক্তিশালী বাৰ্তা দিবলৈ সক্ষম হৈছে। এটা আমোদজনক কাহিনীৰ মাজেৰে পৰিচালক কিৰণ ৰাওয়ে এনে কিছুমান দিশ চলচ্চিত্ৰখনত প্ৰকাশ কৰিছে যিয়ে আমাৰ প্ৰতিগৰাকী মহিলাৰ মাজত সোমাই থকা ক্ষোভক যেন প্ৰতিনিধিত্ব কৰিছে। এই ক্ষোভ সমাজৰ নীচ মানসিকতাৰ বিপক্ষে, পুৰুষতন্ত্ৰৰ শোষণাত্মক চিন্তাৰ বিপক্ষে, আনকি এই ক্ষোভ অতি পুৰুষত্বক প্ৰতিনিধিত্ব কৰা বলীউডৰ চলচ্চিত্ৰ নিৰ্মাতাসকলৰ বিৰুদ্ধে।

২০২৩ চনৰ বলীউডৰ এখন জনপ্ৰিয় চলচ্চিত্ৰ ‘এনিমেল’, য’ত অতি পুৰুষত্বক অতি মাত্ৰাত পৰিৱেশিত কৰা আমি দেখা পালোঁ। এনিমেল চলচ্চিত্ৰখনত নাৰী মৰ্যাদা, নাৰী অধিকাৰ বা একন সমাজত থকা নাৰীৰ ভূমিকাক একেবাৰে পুতৌজনকভাৱে নস্যাৎ কৰা হৈছে। ‘লাপাতা লেডিজ্’ চলচ্চিত্ৰখনে ‘এনিমেল’ৰ বিপৰীত দিশত অৱস্থান কৰি যেন সজোৰে প্ৰতিবাদ কৰি উঠিছে। দৰ্শকক, সমাজৰ নাৰী-পুৰুষ সকলোকে যেন বুজাই দিব বিচাৰিছে যে এখন সমাজত একোগৰাকী নাৰীৰ ভূমিকা পুৰুষতকৈ কোনোগুণেই কম হ’ব নোৱাৰে। বৰঞ্চ বহুসময়ত ইয়াৰ উলটাটোহে যেন হয়। সেয়ে ছায়া কদম অভিনীত ‘মঞ্জু মাই’ চৰিত্ৰটোৱে কৈছে যে নাৰীয়ে শস্য উৎপাদনো কৰিব পাৰে, ৰান্ধি-বাঢ়ি খাবও পাৰে; সন্তান জন্মও দিব পাৰে, তুলি-তালি ডাঙৰ-দীঘলো কৰিব পাৰে; ভালকৈ ভাবি চালে দেখা যায় যে এগৰাকী মহিলাক পুৰুষৰ বৰ বিশেষ প্ৰয়োজন নাথাকে। কিন্তু এই কথাটো নাৰীয়ে অনুভৱ নকৰাকৈ থাকে। যিদিনাই এই কথাটো মহিলাসকলে অনুভৱ কৰিব পাৰিব, সেইদিনাই অতি পুৰুষত্বৰ বিনাশ ঘটিব। চলচ্চিত্ৰখনত এগৰাকী ন-কইনা ‘ফুল কুমাৰী’ সলনি হয়। সলনি মানে, ন-কইনাক লৈ ৰে’লেৰে আহি থকা দৰা ‘দীপক কুমাৰে’ একে সাজৰ আন এগৰাকী ন-কইনা ‘জয়া’ৰ সৈতে ফুল কুমাৰী বুলি ভুল কৰি লৈ আহিলে। কাৰণ দুয়োগৰাকী ন-কইনাই একে সাজ পিন্ধি আছিল, একে ধৰণেই দীঘলকৈ ওৰণি টানি নিজৰ মুখখন ঢাকি ৰাখিছিল। সেয়ে সলনি হ’ল। আচৰিত যেন লাগিলেও এই কথা সঁচা হ’ব পাৰে। স্বকীয়তা নাথাকিলে, ওৰণিৰে নিজৰ পৰিচয় ঢাকি ৰাখিলে, আনৰ চিন্তাৰে পৰিচালিত হ’লে এজন মানুহ হেৰাই যাব পাৰে, এনেকৈয়ে। চলচ্চিত্ৰখনত

E-ISSN: XXXX
Web.: www.majuliemagazine.com, e-Mail: Majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

‘ফুল কুমাৰী’ হেৰাই যোৱাৰ বাবে অৱশ্যে ফুল কুমাৰী, জয়া বা আন আন চৰিত্ৰকেইটাই নিজক বিচাৰি পালে। ফুলৰ সলনি অহা ‘জয়া [পুষ্পা]’ই দীপক কুমাৰৰ ঘৰখনৰ মহিলাসকলৰ চকু মুকলি কৰাত অৰিহণা যোগালে। দৰ্শক হিচাপে আমাৰ সকলোকে ধাৰণা সলনি কৰাৰ সুযোগ দিলে। এয়ে চলচ্ছিত্ৰৰ শক্তি। ‘লাপাতা লেডিজ্’ চলচ্ছিত্ৰখনৰ মূল কাহিনী বিপ্লৱ গোস্বামীৰ। কোনোধৰণৰ শ্লোগান অবিহনেই চলচ্ছিত্ৰখনত নাৰীৰ শোষণ-নিষ্পেষণৰ বিৰুদ্ধে একোটা শক্তিশালী বাৰ্তা দিবলৈ সক্ষম হৈছে কাহিনীকাৰ তথা পৰিচালক। চলচ্ছিত্ৰখনত উপস্থাপন কৰা প্ৰতিটো চৰিত্ৰই যেন আমাৰ চৌপাশে, থকা চৰিত্ৰসমূহেই। আমাৰ সমাজত যিকোনো অংশলৈ সচেতনভাৱে মন কৰিলেই দেখা পোৱা যায় ঘৰখনৰ বাবে নিজৰ সৰ্বস্ব উজাৰি দিয়া একোগৰাকী নাৰী, ঘৰখনৰ পুৰুষকেইজনৰ পচন্দৰ বাবে নিজৰ পচন্দ জলাঞ্জলি দিয়া একোগৰাকী নাৰী, পুৰুষৰ ইচ্চা-অনিচ্চা বা পুৰুষৰ আগ্ৰহ-অনাগ্ৰহত নিজৰ ভাল লগা-বেয়া লগাবোৰ বিসৰ্জন দিয়া একোগৰাকী নাৰী। সেয়া আমাৰ-আপোনাৰ মা হ’ব পাৰে, হ’ব পাৰে ভনী, খুৰী-মাহী। নিজৰ মানুহজনৰ নামটোও উচ্ছাৰণ কৰাৰ পৰা বঞ্চিত কৰি ৰখা নাৰীয়ে প্ৰতিবাদ কৰাৰ জানো সাহস ৰাখিব! সেয়ে চলচ্ছিত্ৰখনত কোৱা হৈছে যে পুৰুষৰ সমানে যদি নাৰী আগবাঢ়িব লাগে তেনে নিজৰ মানুহজনৰ নামটো উচ্ছাৰণ কৰাৰ পৰা প্ৰথমে আৰম্ভ কৰিব লাগিব, নিজৰ পচন্দৰ খাদ্য ৰান্ধি খাব লাগিব, মাত মাতিব লাগিব, ওৰণি গুচাই সমুখলৈ চাব পাৰিব লাগিব। চলচ্ছিত্ৰখনত নাৰী অৱদমনৰ বাবে কিন্তু কেৱল পুৰুষকে জগৰীয়া কৰা হোৱা নাই। এইক্ষেত্ৰত নাৰীকো একে দৃষ্টিভংগীৰেই সমালোচনা কৰিছে। সেয়ে কোৱা হৈছে, বিয়াৰ পাছত এখন ঘৰলৈ এগৰাকী নাৰীৰ কাষলৈ এজনী বোৱাৰী আহে, এজনী বৌ আহে, জা আহে কিন্তু এগৰাকী বান্ধৱী আহিব নোৱাৰে কিয়? যেতিয়াই বিয়াৰ পাছত দুগৰাকী মহিলা বন্ধুত্বৰ বান্ধোনেৰে বান্ধ খাব পাৰিব তেতিয়া কোনো শক্তিয়ে নাৰীক অৱদমিত কৰি ৰাখিব নোৱাৰিব। চলচ্ছিত্ৰ-ভাষাৰ দিশৰ পৰা ‘লাপাতা লেডিজ্’ এখন উপভোগ্য তথা প্ৰভাৱশালী চলচ্ছিত্ৰ। এটা শক্তিশালী বিষয়বস্তুৰ সমানে জঠৰতা বিহীনভাৱে চিত্ৰনাট্য নিৰ্মাণ কৰিছে স্নেহা ডেছায়ে। চলচ্ছিত্ৰখনৰ এটা অতি শক্তিশালী দিশ হ’ল ইয়াৰ সংলাপসমূহ। সংলাপ ৰচনা স্নেহা ডেছাই আৰু দিব্যেন্দু শৰ্মাৰ। একোটা শক্তিশালী আৰু হৃদয়স্পৰ্শী সংলাপে বিষয়বস্তুক শক্তিশালী ৰূপত প্ৰকাশ কৰিব পাৰিছে, প্ৰতিটো মুহূৰ্ততে দৰ্শকক চলচ্ছিত্ৰখনৰ সৈতে সংপৃক্ত কৰি ৰাখিব পাৰিছে। ৰাম সমপথৰ সংগীত চলচ্ছিত্ৰখনৰ আন এটা শক্তিশালী দিশ। নীতান্সি গোৱেল, প্ৰতিভা ৰত্না, স্পৰ্শ শ্ৰীবাস্তৱ, ৰবি কিষাণ, ছায়া কদম, দুৰ্গেশ কুমাৰ, গীতা আগৰৱালা আদি নবীন-প্ৰবীণ অভিনয় শিল্পীৰ সাৱলীল অভিনয় চলচ্ছিত্ৰখনৰ আন এটা উল্লেখযোগ্য দিশ। ‘লাপাতা লেডিজ্’ চলচ্ছিত্ৰখনে সমাজৰ এটা সত্যক দৰ্শকৰ সমুখত তুলি ধৰিছে। যি সত্যত আছে ওৰণিৰ তলত হেৰাই যোৱা কিছুমান মানুহ, যিসকলৰ ওৰণি আঁতৰাই পোলোৱাত প্ৰতিগৰাকী নাৰী- প্ৰতিগৰাকী পুৰুষে সহযোগ কৰিব লাগিব।

Majuli A MultiLingual MultiDisciplinary e-Magazine